# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-FEB-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

—————————————————————

### HEADLINES

::::::::::::::::::

১।	**মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত আজি শিক্ষাৰ্থীসকলক প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান।

২।	এটা বিশেষ সম্প্ৰদায়ক উদ্দেশি কৰা আপত্তিজনক মন্তব্যৰ অভিযোগত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অসম চৰকাৰ, ভাৰত চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ জাননী জাৰি।

৩।	নাগালেণ্ডত আজিৰে পৰা তিনিদিনীয়াকৈ উত্তৰ-পূব বসন্ত উৎসৱ।

**আৰু**

৪।	টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ৱেষ্ট ইণ্ডিজৰ দক্ষিণ আফ্ৰিকাৰ জয়ৰ বাবে ১৭৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত শিক্ষাৰ্থীৰ মাজত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান কৰে। **জীৱন প্ৰেৰণা** আঁচনিৰ অধীনত চৰকাৰী বা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে এবছৰৰ বাবে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। তদুপৰি শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ উদ্দেশ্যে আজি **মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা** আঁচনিৰ অধীনত দুহেজাৰ ১১২ গৰাকী গৱেষকক অনুদান প্ৰদান কৰা হয়। ইয়াৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা পূৰ্ণকালীন গৱেষণাৰ বাবে গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানত বি এড পাঠ্যক্ৰমত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বাবেও অনাগত সময়ত বিশেষ আঁচনি ৰূপায়ণৰ কথা প্ৰকাশ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে আই টি আই আৰু পলিটেকনিকসমূহত স্থাপন কৰা উদ্যোগ ৪.০ প্ৰযুক্তি কেন্দ্ৰসমূহ উদ্বোধন কৰে। এই অনুষ্ঠানতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰসকলক সকাহ দিয়াৰ উদ্দেশ্যে **মুখ্যমন্ত্ৰীৰ নিযুত ৰাবু** আঁচনিৰ শুভাৰম্ভ কৰা হয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বাহিৰে স্নাতক আৰু স্নাতকোত্তৰ বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ ছাত্ৰসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৬-২৭ বৰ্ষত ৪৭ হাজাৰ ৩৯৫ গৰাকী ছাত্ৰৰ মাজত মুঠ ১২ কোটি টকাৰ অনুদান প্ৰদান কৰা হয়।

ooooo

এটা বিশেষ সম্প্ৰদায়ক উদ্দেশি কৰা আপত্তিজনক মন্তব্যৰ অভিযোগত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি অসম চৰকাৰ, ভাৰত চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই এটা এটা বিশেষ সম্প্ৰদায়ক উদ্দেশ্য কৰি আপত্তিজনক মন্তব্য আগবঢ়োৱা বুলি লেখক, চিন্তাবিদ ড০ হিৰেন গোহাঁই আৰু দুটা ৰাজনৈতিক দলে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। আজি এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে এই জাননী জাৰি কৰে। অহা এপ্ৰিলত আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ধেমাজি জিলাৰ ৩২ হাজাৰ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰিব। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব। খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠাসমূহৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে সমষ্টিভিত্তিত ভূমিপট্টা বিতৰণৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানৰ সৈতে ধেমাজিত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

ooooo

নাগালেণ্ডত আজিৰে পৰা তিনিদিনীয়াকৈ উত্তৰ-পূব বসন্ত উৎসৱ ২০২৬ৰ আয়োজন কৰা হৈছে। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ তত্বাৱধানত উত্তৰ-পূব মণ্ডল সাংস্কৃতিক কেন্দ্ৰ ডিমাপুৰৰ সহযোগত আৰু নাগপুৰৰ দক্ষিণ মধ্য মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ উদ্দেশ্য হৈছে উত্তৰ-পূব সীমান্তৰ সমৃদ্ধ লোক-সংস্কৃতি আৰু জনজাতীয় সাংস্কৃতিক সম্পদৰ সংৰক্ষণৰ লগতে পৰম্পৰাগত শিল্পীসকলৰ বাবে এখন ৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰা। ইপিনে, অসম আৰু নাগালেণ্ডৰ মাজত সমন্বয় বাৰ্তাৰে যোৰহাট জিলাৰ মৰিয়নিত কাইলৈৰ পৰা চ্যুকাফা নাট্য উৎসৱৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক বিনিময়ৰ মাধ্যমেৰে সম্প্ৰীতিৰ বাৰ্তা বিলোৱাৰ বাবে এই উৎসৱ শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হ'ব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

ooooo

উত্তৰ লখিমপুৰৰ পৰা ডিব্ৰুগড়লৈ প্ৰতিদিনে ৰে'ল চলাচল তথা মুৰ্কংচেলেক আৰু গুৱাহাটীৰ মাজত চলাচল কৰা লাচিত এক্সপ্ৰেছ ৰে'লগাড়ীখন সৰু-বৰ সকলো ষ্টেচনত ৰখোৱাৰ দাবীৰে ধেমাজি ঐক্য মঞ্চই আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ঐক্য মঞ্চই লগতে জিলাখনত লোকনিৰ্মাণ বিভাগৰ অধীনত নিৰ্মাণৰত পথসমূহ খৰতকীয়া কৰিবলৈও দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত শতাধিক লোকে অংশগ্ৰহণ কৰি শীঘ্ৰেই এই দাবীসমূহ কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়।

**বাইট (প্ৰতিবাদকাৰী)**

০০০০০

প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ডিব্ৰুগড় জিলাৰ বামুণবাৰী চাহ বাগিচা প্ৰাথমিক বিদ্যালয় নিৰ্মিত অতিৰিক্ত শ্ৰেণীকোঠাসমূহ আজি মন্ত্ৰী বিমল বৰাই মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে নৱনিৰ্মিত কোঠাসমূহে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ পূৰ্বতকৈ উন্নত কৰিব। তেওঁ লগতে উন্নত আন্তঃগাঁথনি নিৰ্মাণৰ ফলত শিক্ষাৰ্থীসকলে গুণগত শিক্ষাৰ সুযোগ লাভ কৰিব বুলি উল্লেখ কৰে।

০০০০০

ডিব্ৰুগড় জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীৰ উপস্থিতিত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচনৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকলক আজিৰে পৰা তিনি দিনীয়াকৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত মাণ্ডলিক বিষয়া আৰু খণ্ড বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা পৌৰ নিগমৰ আয়ুক্ত জয় বিকাশ, সহকাৰী আয়ুক্তসকলৰ লগতে মাষ্টাৰ প্ৰশিক্ষকসকল উপস্থিত থাকে। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে উপস্থিতসকলৰ সন্মুখত ভাষণ দিয়ে।

০০০০০

ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত আজি মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি ২০২৬ৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট অতিথিৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। নিযুত বাবু আঁচনিৰ নোডেল বিষয়া ড০ পল্লবী কাশ্যপে মহাবিদ্যালয়ৰ মুঠ ১৬১ গৰাকী ছাত্ৰই এই আঁচনিৰ সুবিধা লাভ কৰিব বুলি উল্লেখ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিৰ জৰিয়তে লাভ কৰিব পৰা বিভিন্ন সুবিধাৰ বিষয়ে অৱগত কৰে।

০০০০০

যোৰহাট জিলা আয়ুক্তই আজি হোলোঙাপাৰত অৱস্থিত লাচিত মৈদাম প্ৰকল্প পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত তেওঁ মৈদামৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি আজি অন্যান্য প্ৰাসংগিক বিষয়সমূহৰ সন্দৰ্ভত সংশ্লিষ্টসকলৰ সৈতে বিস্তৃত আলোচনা কৰে। পৰিদৰ্শন কালত নিৰ্মাণ সংস্থাৰ প্ৰতিনিধি, লোকনিৰ্মাণ বিভাগৰ বিষয়া, জিলা সংগ্ৰাহালয় বিষয়া আৰু অন্যান্য বিষয়াসমূহ উপস্থিত থাকে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকা নিশ্চিত বিজয়ৰ দিশত অগ্ৰসৰ হৈছে। জয়ৰ বাবে ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰণ

কৰা ১৭৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই আমালৈ বাতৰি অহা পৰলৈ ১৪ অভাৰত এটা উইকেট হেৰুৱাই ১৫৭ ৰান কৰিছে। এইডেন মাৰক্ৰমে ৭৩ আৰু ৰিয়ান ৰিকেল্‌টনে ৩৬ ৰান কৰি খেলি আছে।

প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি হ'বলগীয়া এখন গুৰুত্বপূৰ্ণ খেলত ভাৰত জিম্বাব'ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাইলৈ ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত কেইবাটাও গুৰুত্বপূৰ্ণ অন্তৰ্দেশীয় জলপথ আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ ভিতৰত বগীবিল আৰু ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আৰু ডিব্ৰুগড়ৰ ঐতিহ্য ভৱন অন্যতম। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

সমাপ্ত